**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 29-12-2025 **Time :** 0755 Hrs.

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি গুৱাহাটী আৰু বটদ্ৰৱাত কেইবাটাও প্ৰকল্প উদ্বোধন কৰাৰ লগতে ভালেমান কাৰ্যসূচীত অংশ ল'ব। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকী কালি গুৱাহাটীলৈ অহাৰ কথা আছিল যদিও ঘন কুঁৱলীৰ বাবে তেওঁৰ বিমান যাত্ৰা বাতিল হোৱাত অসম ভ্ৰমণ এদিন পিছুৱাই দিবলগীয়া হয়। আজি পুৱা গুৱাহাটীত উপস্থিত হৈ শ্ৰীশ্বাহে শ্বহীদ স্মাৰক ক্ষেত্ৰ পৰিদৰ্শন কৰি অসম আন্দোলনৰ বীৰ শ্বহীদসকলৰ প্ৰতি শ্ৰদ্ধা জনাব।

কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে ইয়াৰ পাছত নগাঁও জিলাৰ বটদ্ৰৱাত ৰাজ্য চৰকাৰে নতুনকৈ নিৰ্মাণ কৰি উলিওৱা ঐতিহাসিক বটদ্ৰৱা প্ৰকল্প উদ্বোধন কৰিব। এই অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা আৰু মন্ত্ৰী বিমল বৰা উপস্থিত থাকিব। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱাক কলা-সংস্কৃতি আৰু আধ্যাত্মিকতাৰ অন্যতম প্ৰাণকেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ লগতে পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰ কৰি তোলাত এই প্ৰকল্পই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি আশা কৰা হৈছে। শ্ৰীশ্বাহে আজি বৰদোৱাত এটা ৰাজহুৱা সমদলতো অংশলোৱাৰ কথা।

মুখ্যমন্ত্ৰী ড° শৰ্মাই কালি বটদ্ৰৱা প্ৰকল্পস্থলী পৰিদৰ্শন কৰি সাংবাদিকৰ আগত এইদৰে কয় –

বাইট (চি এম)

উল্লেখযোগ্য যে ২২২ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা বটদ্ৰৱা প্ৰকল্পত গুৰু আসন ভৱন, মণিকাঞ্চন নামঘৰ, দক্ষতা বিকাশ কেন্দ্ৰ, গৱেষণা কেন্দ্ৰ, কলা কেন্দ্ৰ, নাটঘৰ, দহটা জনগোষ্ঠীয় কুটিৰকে ধৰি বিভিন্ন ব্যৱস্থা থাকিব।

গৃহমন্ত্ৰীগৰাকীয়ে গুৱাহাটী মহানগৰৰ সুৰক্ষা ব্যৱস্থা অধিক উন্নত কৰাৰ লক্ষ্যৰে এটা নতুন আৰক্ষী আয়ুক্তালয় আৰু সংহত কমাণ্ড আৰু নিয়ন্ত্ৰণ ব্যৱস্থা মুকলি কৰিব। তেওঁ লগতে খানাপাৰাত নৱ নিৰ্মিত জ্যোতি-বিষ্ণু প্ৰেক্ষাগৃহ উদ্বোধন কৰিব। ৫ হাজাৰ খন আসনযুক্ত এই প্ৰেক্ষাগৃহ উত্তৰ পূৰ্বাঞ্চলৰ অন্যতম বৃহৎ প্ৰেক্ষাগৃহ হিচাপে পৰিগণিত হ'ব। এই প্ৰেক্ষাগৃহত সন্মিলন ভৱন, বহু খলপীয়া গাড়ী ৰখোৱা স্থান, উদ্যান, ফুডকোৰ্ট ইত্যাদি থাকিব। আনহাতে, আৰক্ষী আয়ুক্তালয়ৰ নৱনিৰ্মিত ৮ মহলীয়া ভৱনটো উন্নত প্ৰযুক্তিৰে সজ্জিত কৰা হৈছে। ইয়াত অন্যান্য সা-সুবিধাৰ লগতে গুৱাহাটী স্মাৰ্ট ছিটি প্ৰকল্পৰ জৰিয়তে নিৰ্মিত মহানগৰীৰ দুহেজাৰৰো অধিক চি চি টিভি নিৰীক্ষণৰে সমৃদ্ধ সংহত নিয়ন্ত্ৰণ আৰু নিৰ্দেশনা কেন্দ্ৰ থাকিব। ভৱনটোৰ চতুৰ্থ মহলাত থকা এই কেন্দ্ৰটো গৃহমন্ত্ৰীগৰাকীয়ে আনুষ্ঠানিকভাৱে মুকলি কৰিব। আয়ুক্তালয় উদ্বোধনৰ পাছতে শ্ৰীশ্বাহে নতুন ফৌজদাৰী আইন ৰূপায়ণৰ দিশত অসমে গ্ৰহণ কৰা ব্যৱস্থা সন্দৰ্ভত আয়োজিত এখন প্ৰদৰ্শনী পৰিদৰ্শন কৰিব।

০০০০০০০

**ৱান নেশ্যন, ৱান পে**'ৰ লিখিত আবেদনৰ ভিত্তিত বেতন প্ৰদান কৰিলে ভাৰতৰ আন আন ৰাজ্যৰ লগতে অসমৰো সকলো ন্যায়িক কৰ্মচাৰীয়ে একেটা নিৰিখতে বেতন লাভ কৰিব আৰু অৰ্থনৈতিকভাৱে লাভান্বিত হ'ব। ডিব্ৰুগড় জিলাৰ ন্যায়িক কৰ্মচাৰী সন্থাৰ উদ্যোগত অনুষ্ঠিত সদৌ অসম ন্যায়িক কৰ্মচাৰী সন্থাৰ ৩২সংখ্যক বাৰ্ষিক সাধাৰণ সভাত অখিল ভাৰত ন্যায়িক কৰ্মচাৰী সংঘৰ সম্পাদক আৰু উত্তৰ পূব ন্যায়িক কৰ্মচাৰী মহাসংঘৰ সভাপতি তথা সদৌ অসম ন্যায়িক কৰ্মচাৰী সন্থাৰ প্ৰাক্তন সাধাৰণ সম্পাদক অনন্ত প্ৰসাদে এইদৰে উল্লেখ কৰে। ডিব্ৰুগড়ৰ ইণ্ডিয়া ক্লাবত অনুষ্ঠিত এই সভাত ন্যায়িক কৰ্মাচাৰীসকলে সততে মুখামুখি হোৱা সমস্যাসমূহৰ সমাধানৰ ক্ষেত্ৰতো আলোচনা কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে। সদৌ অসম ন্যায়িক কৰ্মচাৰী সন্থাৰ প্ৰাক্তন সভাপতি মদন উপাধ্যায়ে উচ্চতম ন্যায়ালয়ে ২০১৮ চনৰ ৮ অক্টোবৰত দিয়া এটা ৰায়দানত প্ৰত্যেক জিলাতে গ্ৰেড-ওৱান, গ্ৰেড-টু আৰু গ্ৰেড-থ্ৰি এই তিনিটা পদ সৃষ্টি কৰিব লাগিব বুলি ৰায় দিছিল। কিন্তু সেই ৰায় আজিলৈ বাস্তৱত প্ৰণয়ন হোৱা নাই বুলি সভাপতিগৰাকীয়ে উল্লেখ কৰে। এই সভাতেই সদৌ অসম ন্যায়িক কৰ্মচাৰী সন্থাৰ সাধাৰণ সম্পাদকৰূপে উৎপল কলিতাক দায়িত্বভাৰ অৰ্পণ কৰা হয়।

০০০০০০০০০

ধেমাজি জিলাৰ গোগামুখত অসম নাট্য সন্মিলনৰ স্বৰ্ণপীঠ মণ্ডলৰ নাট সমাৰোহৰ দ্বিবাৰ্ষিক অধিবেশন আৰু পূৰ্ণাংগ নাট প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। কালি দ্বিতীয় দিনাৰ কাৰ্যসূচীৰ মুকলি সভাত ৰাজ্য চৰকাৰৰ শিক্ষা, ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যান বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু উপস্থিত থাকি নাট্যপ্ৰেমী ৰাইজৰ সৈতে ৰাইজৰ সৈতে মত বিনিময় কৰে।

000000000

**সমাপ্ত**